**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। লোকসভাত আজি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

২। বিৰোধী পক্ষৰ সাংসদসকলে লোক সভাৰ কাম-কাজত বাধাৰ সৃষ্টি কৰা বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে অভিযোগ উত্থাপন কৰিছে।

৩। বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে কয় যে এন ডি এ চৰকাৰৰ সংস্কাৰমূলক নীতিৰ ফলস্বৰূপে দেশত জাহাজেৰে সামগ্ৰী পৰিবহনৰ হাৰ উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে।

৪। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ মিনশ্বিংগাতৰ কয়লা খনিত সংঘটিত বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৮ লৈ বৃদ্ধি পাইছে।

আৰু

৫। পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নামিবিয়াই নেডাৰলেণ্ডছক জয়ৰ বাবে ১৫৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

লোকসভাত আজি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। দুপৰীয়া ১২ বজাত প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাত ভিন ভিন দপ্তৰৰ মন্ত্ৰীসকলে তেওঁলোকৰ সংশ্লিষ্ট মন্ত্ৰালয়ৰ সৈতে সম্পৰ্কিত তথ্যপাতিসমূহ সদনত দাখিল কৰে। অধ্যক্ষতাৰ দায়িত্বত থকা বিষয়া পি চি মোহনে ২০২৬-২০২৭ বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা আৰম্ভ কৰিবলৈ বিচাৰে যদিও বিৰোধী পক্ষৰ সদস্যসকলে পুনৰ শ্ল’গান দি পৰিস্থিতি উত্তপ্ত কৰি তোলে। ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে প্ৰতিবাদকাৰী সদস্যসকলক আলোচনাত অংশগ্ৰহণ কৰি সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ অনুৰোধ জনায়। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱেও এনে পৰিস্থিতিৰ ফলত সদনৰ বহুমূলীয়া সময়ৰ অপচয় হয় বুলি উল্লেখ কৰি বিৰোধী সদস্যসকলক সদনৰ কাম-কাজত ব্যাঘাত নজন্মাবলৈ অনুৰোধ জনায়। কেৱল অস্থিৰতাৰ সৃষ্টি কৰিবলৈকে বিৰোধী সাংসদসকল ইচ্ছাকৃতভাৱে সদনৰ মজিয়ালৈ উঠি আহে বুলিও তেওঁ অভিযোগ কৰে। শ্ৰী ৰিজিজুৱে নিম্ন সদনৰ মৰ্যাদা লাঘৱ নকৰিবলৈ আৰু বাজেটক লৈ আলোচনা সুচাৰুৰূপে সম্পন্ন হোৱাত সহায় কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়।

লোকসভাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু মন্ত্ৰী ৰিজিজুৱে বাৰম্বাৰ অনুৰোধ জনোৱা সত্ত্বেও বিৰোধী পক্ষৰ সাংসদসকলে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰখাত বাধ্য হৈ সদনৰ কাম-কাজ বিয়লি ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰিবলগীয়া হয়।

ইয়াৰ পূৰ্বে সদনৰ প্ৰশ্নকালত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰা হয়। দিনটোৰ বাবে সদন মিলিত হোৱাৰ পাছত সভাপতিত্বৰ দায়িত্বত থকা পি চি মোহনে প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰাৰ সময়তে কংগ্ৰেছ, টি এম চি আৰু ডি এম কে কে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে সদনৰ মজিয়ালৈ উঠি আহি বিভিন্ন শ্ল'গান দিবলৈ আৰম্ভ কৰে। শ্ৰী মোহনে সকলোকে সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰি প্ৰশ্নকাল আগবঢ়াই নিবলৈ অনুৰোধ জনায় যদিও বিৰোধী সাংসদসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰাখে। এনে হুলস্থুলৰ মাজতে পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ ৰাজ্য মন্ত্ৰী এছ পি সিং বাঘেলে পশুপালন আৰু আন্তঃগাঁথনি উন্নয়ন পুঁজি সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰে যদিও উত্তৰ দান সম্পূৰ্ণ কৰিবলৈ তেওঁ অসমৰ্থ হয়। এনে হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে সদন দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০০০০০

কেন্দ্ৰীয় সংসদীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোক সভাৰ কাম-কাজত বাধাৰ সৃষ্টি কৰা বুলিও বিৰোধী পক্ষৰ সাংসদসকলৰ প্ৰতি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে সংসদৰ মৰ্যাদাৰ প্ৰতি বিৰোধী পক্ষৰ সদস্যসকলৰ কোনোধৰণৰ সন্মান আৰু দায়বদ্ধতা নাই। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ৰিজিজুৱে কয় যে কংগ্ৰেছৰ মহিলা সাংসদসকলে বিগত সপ্তাহত ট্ৰেজাৰী বেঞ্চ অতিক্ৰম কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসনৰ কাষত উপস্থিত হোৱাটো লজ্জাজনক কাৰ্য। মন্ত্ৰী ৰিজিজুৱে কয় যে বিজেপিৰ মহিলা সাংসদসকলে কংগ্ৰেছৰ সাংসদসকলৰ এই ব্যৱহাৰৰ প্ৰতিবাদত লোক সভাৰ অধ্যক্ষৰ ওচৰত অভিযোগ দাখিল কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধী দলৰ মহিলা সাংসদসকলক ভয় খোৱা বুলি দাবী কৰি নিজৰ সামাজিক মাধ্যমৰ একাউণ্টত উল্লেখ কৰা বুলিও শ্ৰী ৰিজিজুৱে প্ৰকাশ কৰে। শ্ৰী ৰিজিজুৱে কংগ্ৰেছ সদস্যসকলৰ এই কাৰ্যক লজ্জাজনক বুলি অভিহিত কৰি কয় যে এইয়া সংসদীয় গণতন্ত্ৰৰ পৰিপন্থী।

০০০০০০০০০

বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে কয় যে এন ডি এ চৰকাৰৰ সংস্কাৰমূলক নীতিৰ ফলস্বৰূপে দেশত জাহাজেৰে সামগ্ৰী পৰিবহনৰ হাৰ উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। ২০১৩-১৪ বৰ্ষৰ ১ কোটি ৮১ লাখ টনৰ পৰা বৃদ্ধি পাই ২০২৪-২৫ বৰ্ষত এই পৰিমান ১৪ কোটি ৬০ লাখ টন হোৱা বুলি মন্ত্ৰীগৰাকীয়ে আজি সদনত তথ্য দাঙি ধৰে। ৰাজ্যসভাৰ অধিৱেশনৰ সময়ৰ প্ৰশ্নকালত এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীসোনোৱালে লগতে কয় যে বিগত ১০ বছৰত দেশৰ আভ্যন্তৰীন জলপথৰ ক্ষেত্ৰত বিনিয়োগৰ পৰিমাণে ১৭ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে। ইউ পি এৰ শাসনকালত এই পৰিমাণ মাত্ৰ ১৮৩ কোটি টকাহে আছিল বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত সংঘটিত বিস্ফোৰণৰ স্থানত উদ্ধাৰ আৰু সাহায্য অভিযান এতিয়াও অব্যাহত আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, বিশেষ উদ্ধাৰকাৰী দল আৰক্ষী আৰু জিলা প্ৰশাসনৰ লোকে এই অভিযানত অংশগ্ৰহণ কৰিছে। ইয়াৰ

মাজতে শ্বিলঙৰ নেইগ্ৰিম্ছ চিকিৎসালয়ত ভৰ্তি হৈ থকা এগৰাকী আহত শ্ৰমিকৰ মৃত্যু হোৱাৰ ফলত এই ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৮ লৈ বৃদ্ধি পাইছে।

০০০০০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মিজোৰামৰ চাইৰাং আৰু অসমৰ শিলচৰ সংযোগী যাত্ৰীবাহী এখন নতুন ৰেলৰ যাত্ৰাৰ পতাকা জোকাৰি কালি শুভাৰম্ভ কৰে। এই ৰেল গাড়ীখন সপ্তাহত ৫ দিন চলাচল কৰিব। ইয়াৰ জৰিয়তে মিজোৰাম আৰু অসমৰ মাজত যাতায়ত ব্যৱস্থা উন্নত হ'ব। ৰেল মন্ত্ৰী শ্ৰী বৈষ্ণৱে গুৱাহাটী ৰেল ষ্টেচনত এটা আতিথ্য সেৱাৰো শুভাৰম্ভ কৰে।

যাত্ৰাৰ সূচী মতে এই যাত্ৰীবাহী ৰেলখনে শিলচৰৰ পৰা চাইৰাঙলৈ সপ্তাহৰ মঙল, বুধ, শুকুৰ, শনি আৰু দেওবাৰে যাত্ৰা কৰিব। দিনৰ ১ বজাত ৰেলখনে শিলচৰৰ পৰা যাত্ৰা আৰম্ভ কৰি সন্ধিয়া চাৰে ৬ বজাত চাইৰাঙত উপস্থিত হ'ব। পুৱা ৭ বজাত প্ৰতি সোম, মঙল, বুধ, শুকুৰ আৰু শনিবাৰে ৰেলখনে চাইৰাঙৰ পৰা যাত্ৰা কৰি দুপৰীয়া চাৰে ১২ বজাত শিলচৰত উপস্থিত হ'ব।

উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মিজোৰামৰ মুখ্যমন্ত্ৰী লালডোহোমাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এক্ট ইষ্ট পলিচিয়ে বিশেষ মাত্ৰা লাভ কৰিছে আৰু মিজোৰামকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত আন্তঃগাঁঠনি উন্নয়ন সম্ভৱ হৈছে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ ৰূপ প্ৰতিফলিত হৈছে আৰু কোনো ৰাজ্য বা অঞ্চল বিকশিত ভাৰত নিৰ্মাণৰ যাত্ৰাত বাদ পৰি থকা নাই।

০০০০০০০০০

মহাৰাষ্ট্ৰৰ ১২ খন জিলা পৰিষদ আৰু ১২৫ খন পঞ্চায়ত সমিতিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ফলাফল কালি ঘোষণা কৰা হয়। এই নিৰ্বাচনত ১২ খন জিলা পৰিষদৰ ভিতৰত ছখনতেই ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। জিলা পৰিষদৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ৭৩১ খন আসনৰ ৫৫২ খনত বিজেপি নেতৃত্বাধীন মহায়ুটিয়ে জয়লাভ কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে কালি ঘোষণা কৰা ফলাফল অনুসৰি বিজেপিয়ে ২২৫ খন আসনত জয়লাভ কৰি শীৰ্ষ স্থান অধিকাৰ কৰাৰ লগতে অজিত পাৱাৰৰ নেতৃত্বাধীন এন চি পিয়ে ১৬৫ খন আৰু একনাথ সিন্দে নেতৃত্বাধীন শিৱসেনাই ১৬২ খন আসনত জয়লাভ কৰিছে।

বিৰোধী মহাবিকাশ আঘাডিৰ অন্তৰ্গত কংগ্ৰেছ দলে ৫৫ খন, উদ্ধৱ থাক্‌ৰে নেতৃত্বাধীন শিৱসেনাই ৪৩ খন আৰু শাৰদ পাৱাৰ নেতৃত্বাধীন এন চি পি এ ২৬ খন আসন লাভ কৰিছে। আন কেইবাটাও ক্ষুদ্ৰ ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে বাকী আসনসমূহত জয়লাভ কৰিছে। ৰাজ্যখনৰ সিন্ধুদুৰ্গ, ছাটাৰা আৰু লাটুৰকে ধৰি কেইবাখনো জিলাত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠ দলৰ মৰ্যাদা লাভ কৰিছে। পুণে জিলা পৰিষদত অজিত পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে আধিপত্য বিস্তাৰ কৰা পৰিলক্ষিত হৈছে।

আজি লাভ কৰা তথ্য অনুসৰি ১২৫ খন পঞ্চায়ত সমিতিৰ মুঠ এহেজাৰ ৪৬২ খন আসনৰ ভিতৰত বিজেপিয়ে ৪৫৯ খন আসনত এন চি পিয়ে ৩০৬ খনত শিৱসেনাই ৩০২ খনত আৰু কংগ্ৰছ দলে ৯৭ খন আসনত বিজয় সাব্যস্ত কৰিছে।

০০০০০০০০০

শ্ৰী লংকাৰ কলোম্বʼৰ শিক্ষা মন্ত্ৰালয় চৌহদত কালি অনুষ্ঠিত এটা বিশেষ অনুষ্ঠানত দেশখনৰ ২৫ খন জিলাৰ ৩০০ গৰাকী শিক্ষাৰ্থীক সন্মানীয় মহাত্মা গান্ধী বৃত্তি আগবঢ়োৱা হয়। এই বৃত্তি প্ৰদান অনুষ্ঠানত দেশখনৰ প্ৰধানমন্ত্ৰী ড০ হৰিনী অমৰা সূৰ্য্য, উপ-শিক্ষামন্ত্ৰী ড০ মধুৰা চেনেবিৰাথনা আৰু ভাৰতৰ উচ্চায়ুক্ত ড০ সত্যাঞ্জল পাণ্ডেও উপস্থিত থাকে।

এই আঁচনিৰ অধীনত দেশখনৰ প্ৰত্যেক জিলাৰে ৬ গৰাকীকৈ মেধাৱী আৰু অভাৱগ্ৰস্ত শিক্ষাৰ্থীক প্ৰতি মাহে দুবছৰৰ বাবে ২ হাজাৰ ৫০০ টকাকৈ শ্ৰী লংকান ৰূপী প্ৰদান কৰা হ'ব। ২০২১ আৰু ২০২৪ চনৰ এই বৃত্তিৰ বাবে নিৰ্বাচিত মেধাৱী শিক্ষাৰ্থীসকলক কালি একেলগে বৃত্তি আগবঢ়োৱা হয়। এই ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱাৰ বাবে ভাৰত চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰি শ্ৰী লংকাৰ প্ৰধানমন্ত্ৰী শ্ৰী অমৰা সূৰ্য্যই মহাত্মা গান্ধীৰ আদৰ্শসমূহ স্মৰণ কৰে। তেওঁ কয় যে গান্ধীজীৰ জীৱন আৰু মূল্যবোধক অনুপ্ৰেৰণাৰ উৎস হিচাপে গ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থাকি ড০ পাণ্ডেই কয় যে এই বৃত্তি কেৱল শিক্ষাৰ্থীৰ প্ৰতি আৰ্থিক সাহায্যই নহয়, বৰং এইয়া জীৱন যোৰা স্বীকৃতি। তেওঁ এই বৃত্তি লাভ কৰা শিক্ষাৰ্থীসকলক গান্ধীজীৰ আদৰ্শসমূহ অনুসৰণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। খেলখনত নামিবিয়াই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৮ উইকেটত ১৫৬ ৰান কৰিছে।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া খেলখনত নিউজিলেণ্ডে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে আৰু সন্ধিয়া ৭ বজাত কলম্বোৰ সিংহালীজ স্পৰ্টছ ক্লাবত হ'বলগীয়া খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

সমাপ্ত